# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 16-03-2026

**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে ৰাজ্যখনত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজপত্ৰিত অধিসূচনা জাৰি হোৱা বুলি আজি ঘোষণা কৰে। ইয়াৰ লগে লগে ৰাজ্যত মনোনয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ১২৬ টা সমষ্টিৰ বাবে মনোনয়ন দাখিল অন্তিম দিন অহা ২৩ মাৰ্চ। সমষ্টিসমূহৰ ভিতৰত ৯টা অনুসূচীত জাতিৰ বাবে আৰু ১৯ টা অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত কৰা হৈছে বুলি শ্ৰী গোৱেলে সংবাদমেলত প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যৰ ৩১ হাজাৰ ৪৮৬ টা ভোটকেন্দ্ৰত দুই কোটি ৫০ লাখ ২১ হাজাৰ ৪১৩ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। এই ভোটগ্ৰহণত এশ শতাংশ ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। ভোটগ্ৰহণ নিয়াৰিকৈ চলাই নিয়াৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ২০০টা কোম্পানী ইতিমধ্যে ৰাজ্যত উপস্থিত হৈছে আৰু এই সপ্তাহতে কেইবাটাও কোম্পানী আহি পাব বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। দলগাঁও সমষ্টিত সৰ্বাধিক সংখ্যক আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত আমৰি সষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী গোৱোলে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথিপত্ৰসহ কেন্দ্ৰলৈ গৈ সকলোকে ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়।

*(বাইট ঃ গোৱেল)*

উল্লেখযোগ্য যে, অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত অন্ত পৰিব।

০০০০

ভাৰতৰ নিৰ্বাচন আয়োগে অসম বিধানসভা নিৰ্বাচনৰ বাবে অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া মনজিৎ সিঙক আজি বিশেষ পৰ্যবেক্ষক ৰূপে নিযুক্তি দিছে। বিষয়াগৰাকীয়ে অসমৰ নিৰ্বাচনৰ সমগ্ৰ দিশ পৰ্যবেক্ষণৰ লগতে সমষ্টিসমূহত নিৰ্বাচনী কাৰ্যকলাপৰ ওপৰত নজৰ ৰাখিব। ৰাজ্যিক নিৰ্বাচন আয়োগৰ সহযোগত তেওঁ বিধানসভা নিৰ্বাচনৰ পুংখানুপুংখভাৱে পৰ্যবেক্ষণ আৰু নিৰ্বাচনী বিধি উলংঘা বিষয়টো গুৰুত্ব সহকাৰে চোৱাচিতা কৰিব। এই সময়ছোৱাত কোনো লোকে নিৰ্বাচনী বিধি উলংঘাৰ চেষ্টা কৰিলে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০

২০২৫ বৰ্ষৰ সাহিত্য একাডেমী বঁটাসমূহ আজি ঘোষণা কৰা হৈছে। অসমীয়া ভাষাত দেৱব্ৰত দাসে কড়ি খেলাৰ সাধু উপন্যাসৰ বাবে এই বঁটা লাভ কৰিছে। জনপ্ৰিয় অসমীয়া গল্পকাৰ, ঔপন্যাসীক আৰু স্তম্ভলেখক শ্ৰী দাসৰ হিয়াৰ পখিলাবোৰ শীৰ্ষক স্তম্ভ লেখাই এসময়ত বিপুল জনপ্ৰিয়তা অৰ্জন কৰিছিল। ১৯৮৮ প্ৰথমখন গল্প

সংকলন **অৰ্পিতাৰ এৰাতি** প্ৰকাশ পোৱা লেখকগৰাকীৰ পাঁচখন উপন্যাস, কেইবাখনো গল্প সংকলন আৰু উপন্যাসিকা সংকলন প্ৰকাশ পাইছে।

বড়ো ভাষাত সাহাইছুলি ব্ৰহ্মাই দৌংনুৰি লামা মৌন্‌চে গঠীন উপন্যাসৰ বাবে এই বঁটা লাভ কৰিছে। কোকৰাঝাৰৰ গুৱাবাৰীৰ বাসিন্দা ব্ৰহ্মৰ ৯খন গ্ৰন্থ প্ৰকাশ পাইছে। মণিপুৰী ভাষাত হাওবাম নলিনীয়ে কাংলামদ্ৰিবা ইফ'ত নামৰ চুটিগল্প সংকলনৰ বাবে এই বঁটা লাভ কৰিছে।

০০০০

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী আচৰণবিধি উলংঘনৰ বিৰুদ্ধে অভিযোগ দাখিলৰ বাবে কামৰূপ জিলা প্ৰশাসনে এটা নিয়ন্ত্ৰণকক্ষ স্থাপন কৰিছে। ইয়াৰ বাবে মুকলি কৰা টোল ফ্ৰি নম্বৰটো হৈছে ১৯৫০ । নিৰ্বাচনী আচৰণ বিধি উলংঘন সম্পৰ্কীয় যিকোনো ওজৰ আপত্তি এই নম্বৰত ফোন কৰি অৱগত কৰাব পাৰিব। তাৰোপৰি নিৰ্বাচনী আচৰণবিধি সন্দৰ্ভত কিবা জানিবলগীয়া থাকিলে ০৩৬১ ৪০৮৪ ৯৭৫ নম্বৰত যোগাযোগ কৰিব পাৰিব। উল্লেখযোগ্য যে ভাৰতীয় নিৰ্বাচন আয়োগৰ উপলব্ধ **সুবিধা** এপৰ জৰিয়তেও প্ৰাৰ্থীসকলৰ নিৰ্বাচন সম্পৰ্কীয় তথ্য আহৰণ কৰিব পাৰিব।

০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে চি পি আই এম দলে আজি দুটা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিছে। দলটোৱে এখন সংবাদমেলযোগে ভৱানীপুৰ সৰভোগ বিধানসভা সমষ্টিৰ বাবে মনোৰঞ্জন তালুকদাৰক আৰু গোৰেশ্বৰ সমষ্টিৰ বাবে বাপুৰাম বড়োক প্ৰাৰ্থিত্ব দিয়াৰ কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ, অসম জাতীয় পৰিষদ, চি পি আই এম, এ পি এইছ এল চি আৰু চি পি আই এম এল দলৰ মাজত আসন বুজাবুজি সম্পন্ন হৈছে।

ইয়াৰ পূৰ্বে আম আদমী পাৰ্টীয়ে ১৪টা সমষ্টিৰ বাবে তালিকা ঘোষণা কৰিছে। কংগ্ৰেছ দলেও দুখনকৈ প্ৰাৰ্থীৰ তালিকা ইতিমধ্যে প্ৰকাশ কৰিছে। এ আই ইউ ডি এফ দলে ৯জন প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। লগতে ৰাইজৰ দলেও ১১গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা ইতিমধ্যে প্ৰকাশ কৰিছে।

বিজেপিয়ে ১৮ মাৰ্চত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি বিজেপিৰ প্ৰাৰ্থীৰ তালিকাত বহুকেইখন নতুন মুখ থাকিব। বৰাক উপত্যকাৰ ১০টা সমষ্টিত বিজেপিয়ে আৰু তিনিটা সমষ্টিত অগপই প্ৰতিদ্বন্দ্বিতা কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জনাইছে।

০০০০

ঃঃ সমাপ্ত ঃঃ